
ISSN (B.G)

WINTER 2019 Vol.- 06

ISSN 2320-494X

# LITERARY CHURNING

**A Bi-Annual Peer-Reviewed International Journal of Language, Literature & Culture**




**Editor-in-Chief**
**Dr. Jai Ram Jha**

**Associate Editor**
**Kumar Sambalam**

CREATIVE WRITERS' CIRCLE
PUBLICATIONS

# হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' আৰু 'মৎস্যগন্ধা' উপন্যাসত সমাজ বাস্তৱতাবাদৰ প্ৰতিফলন

*ড° বিউতী গগৈ*
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়

অৱতৰণিকাঃ

সময় পৰিৱৰ্তনৰ লগে লগে মানুহৰ জ্ঞানৰ পৰিধিয়েও বিস্তৃতি লাভ কৰিছে। পৰিৱৰ্তিত দৃষ্টিভংগীয়ে সকলো দিশতেই ৰূপান্তৰ সাধন কৰিলে। সৃষ্টি হ'ল ন-ন মূল্যবোধৰ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ কলা-কৌশলতো পৰিৱৰ্তনে ভূমুকি মাৰে। যিহেতু সাহিত্যত সমাজৰ চিন্তাধাৰাৰ লগতে জীৱনবোধো জড়িত হৈ থাকে। যুগৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ বিভিন্ন ধাৰা অথবা বাদ-বৈচিত্ৰবোৰৰো পৰিৱৰ্তন হৈ আহিছে। অৰ্থাৎ প্ৰচলিত বিষয়বস্তুৰ বা কলা-কৌশলৰ বিৰুদ্ধে যুগে যুগে হোৱা বিদ্ৰোহৰ ফলস্বৰূপে সৃষ্টি হৈছে ন-ন তত্বৰ। সাহিত্যৰ তেনে এবিধ তত্ব হৈছে 'সমাজ-বাস্তৱতাবাদ।' ধ্ৰুপদী সাহিত্যৰ প্ৰতিবাদকল্পে ৰমন্যাসবাদ সৃষ্টি হোৱাৰ দৰে ৰমন্যাসবাদৰ প্ৰতিবাদকল্পে সৃষ্টি হৈছিল 'সমাজ বাস্তৱতাবাদ।' এই 'সমাজ বাস্তৱতাবাদ' মূলতঃ পাশ্চাত্যত আৰম্ভ হোৱা এক ধৰণৰ শৈল্পিক বিপ্লৱ। যদিও প্ৰথম অৱস্থাত ই কেৱল চিত্ৰকলাতে সীমাবদ্ধ আছিল পিছলৈ কিন্তু ই সাহিত্য, নাটক, চিনেমা আদি মাধ্যমলৈ বিয়পি পৰে।

আধুনিক অসমীয়া সাহিত্যৰ এজন সফল সাহিত্যিক হ'ল হোমেন বৰগোহাঞি। স্বৰাজোত্তৰ কালৰ দিক্ নিৰ্ণয়ী এইজনা সাহিত্যিকে পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফলশ্ৰুতিতে অসমীয়া সাহিত্যত কেইবাটাও নতুন ধাৰাৰে সাহিত্য সৃষ্টি কৰি গৈছে। আধুনিক মনোবিজ্ঞান, অৱস্থিতিবাদী দৰ্শন, মাৰ্ক্সীয় চিন্তাধাৰা, সমাজ-বাস্তৱতাবাদ আদিৰ যুগপৎ প্ৰকাশ ঘটিছে তেওঁৰ সাহিত্যকৰ্মত। এইগৰাকী মহান সাহিত্যিকে অসমীয়া উপন্যাস সাহিত্যলৈ কেইবাখনো সাৰ্থক উপন্যাস দান কৰিছে। অভিনৱ উপস্থাপন কৌশল তথা বিষয়বস্তুৰ নতুনত্বই বৰগোহাঞিৰ উপন্যাসত বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰিছে। যুদ্ধোত্তৰ যুগৰ মানসিকতাৰ বিচিত্ৰ চিত্ৰ প্ৰকাশৰ প্ৰতি তেওঁ আছিল সচেতন। চৰিত্ৰৰ মনঃস্তাত্বিক বিশ্লেষণৰ পৰা আৰম্ভ কৰি সমাজ সমালোচনামূলক দৃষ্টিভংগীলৈকে, নিসংগতাই মানুহৰ চেতনাত সৃষ্টি কৰা অনুভূতিৰ পৰা আৰম্ভ কৰি মানুহে অতিবাহিত কৰা কুৎসিৎ কদৰ্যপূৰ্ণ জীৱনলৈকে এই

আটাইবোৰে নতুন নতুন কলা-কৌশল তথা উপযোগী ভাষাৰ মাধ্যমত হোমেন বৰগোহাঞিৰ উপন্যাসত প্ৰকাশি উঠিছে। তেখেতৰ নখন উপন্যাসৰ সৰহসংখ্যক উপন্যাসতে মানৱীয় মৰ্যদা অথবা মানৱীয় মূল্যবোধৰ বিষয়ে অতি গুৰুত্ব সহকাৰে আলোচিত হোৱা দেখা যায়।

হোমেন বৰগোহাঞিৰ দুখন উল্লেখযোগ্য উপন্যাস হ'ল - 'মৎস্যগন্ধা' আৰু 'পিতাপুত্ৰ।' অসমীয়া সাহিত্যত দুয়োখনেই সাৰ্থক উপন্যাস। দুয়োখনি উপন্যাসতে ঔপন্যাসিকে সহজ-সৰল গ্ৰাম জীৱনৰ নিখুঁত ছবি অংকণ কৰাৰ লগতে সেইসকলৰ সামাজিক মৰ্যদা সম্পৰ্কেও অতি আন্তৰিকতাৰে ফুটাই তোলাৰ প্ৰয়াস কৰিছে। সমাজ-বাস্তৱতাবাদ নামৰ তাত্বিক ধাৰণাটোৰ আধাৰত বৰগোহাঞিৰ এই দুয়োখন উপন্যাসৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰিবলৈ যত্ন কৰাই হৈছে এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য।

**সমাজ-বাস্তৱতাবাদৰ তাত্বিক আধাৰঃ**

এই গৱেষণা পত্ৰৰ আধাৰ হিচাপে গ্ৰহণ কৰা মূলতত্বগত ধাৰণাটো হ'ল 'সমাজ-বাস্তৱতাবাদ।' ইতিমধ্যে অৱতৰণিকাত কোৱা হৈছে যে সমাজ বাস্তৱতাবাদ মূলতঃ পাশ্চাত্যত আৰম্ভ হোৱা এক ধৰণৰ শৈল্পিক বিপ্লৱ। আদৰ্শবাদ বা ৰমন্যাসবাদৰ প্ৰতিবাদকল্পে চিত্ৰকলাত আৰম্ভ হোৱা এই ধাৰণাটো পৰৱৰ্তীকালত সাহিত্য, নাটক, চিনেমা আদি বিভিন্ন শিল্পকলালৈ প্ৰসাৰিত হয়। বিভিন্ন সময়ত তাত্বিকসকলে সমাজ-বাস্তৱতাবাদৰ সংজ্ঞা নিৰূপণ কৰি গৈছে। তলত তাৰে কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল।

* Social realism a very broad term for painting (or literature or other art) that comments on contemporary social, political or economic conditions, usually from a left - wing view point, ina a realistic manner. Often the term carries with it the suggestion of protest or propaganda in the interest of social reform. However, it does not imply any particular style; Ben Shahn's caricature-like scenes on injustice and social hypocrisy in the USA, the dour working-class interiors of the Kitchen Sink School in Britain and the declamatory political of Guttoso in Italy are all embranced by the term.

*(The Oxford Dictionary of Art. 2004, Ian Chilvers (ed.)*

* Social Realism developed as a reaction against idealism and the exaggerated ego encouraged by Romanticism. Consequences of the Industrial Revolution became apparent; urban centers grew, slums proliferated on a new scale contrasting with the display or wealth of the upper classes. With a new sense of social consciousness, the Social Realists pledged to 'fight the beautiful art' any style which appealed to the eye or emotions. They focused on the ugly

realisties of contemporary life and sympathized with working-class people, particularly the poor. They recorded what they saw ('as it existed') in a dispassionate manner. The public was outtraged by social Realism, in part, because they didn't know how to look at it or what to do with it.

(Grisham, 2005)

উক্ত সংজ্ঞাৰ পৰা এইটো অনুধাৱন কৰিব পাৰি যে সমাজ-বাস্তৱতাবাদ মুখ্যতঃ সমাজৰ খাটিখোৱা লোকসকলৰ লগত জড়িত। ইয়াত গুৰুত্ব লাভ কৰে শ্ৰমজীৱি জনসাধাৰণৰ দৈনন্দিন কাৰ্যপন্থা তথা সেইসকল লোকৰ মনোজগত। ইয়াত সমসাময়িক সমাজৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অৱস্থা, জাতিগত বৈষম্য, শ্ৰমজীৱি মানুহৰ অনুভূতি আদিৰ বিষয়ে বামপন্থী চিন্তাধাৰাৰে আলোকপত কৰা হয়। এই ধাৰণাৰ লগত যিহেতু সামাজিক ন্যায়ৰ কথা জড়িত হৈ আছে; সেয়েহে ইয়াত অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হয়। কেতিয়াবা অৱশ্যে ইয়াত ব্যংগাত্মক চিন্তাধাৰা এটাইয়ো ভুমুকি নমৰা নহয়। এইখিনিতে উল্লেখ কৰা প্ৰাসঙ্গিক হ'ব যে সমাজ বাস্তৱতাবাদ ৰুচদেশত আৰম্ভ হোৱা 'সমাজবাদী-বাস্তৱতাবাদ' (Socialist realism) নামৰ ধাৰাটোতকৈ পৃথক।

চিত্ৰকলাৰ পৰা ক্ৰমে সাহিত্য, নাট, চিনেমা আদিত ক্ৰিয়াশীল ৰূপ লাভ কৰা এই তাত্বিক ধাৰণাটো জৰ্জ এলিয়টে শুভাৰম্ভ ঘটাই ইংলেণ্ডত। ই লাহে লাহে সমগ্ৰ বিশ্বতে বিস্তৃতি লাভ কৰে। সমাজ বাস্তৱতাবাদৰ বৈশিষ্ট্য নিৰূপন কৰিবলৈ গৈ তাত্বিকসকলে এনেদৰে কৈছে -

'Laid the groundwork for contemporary tragedy. An expeiementation with the social works. It was determined to discover hypocrisy and manipulation of the upper class.' (Taylor, 2008)

উপযুক্ত আলোচনাৰ পৰা আমি এনেদৰে ধাৰণা কৰিব পাৰোঁ -

ক) সমাজ বাস্তৱতাবাদ এনে এক পৰিভাষা, য'ত সৰ্বসাধাৰণ ৰাইজৰ প্ৰাণৰ কথা ধ্বনিত হয়।

খ) ইয়াত প্ৰকাশিত হয় শোষিত-নিষ্পেষিত লোকৰ জীৱনৰ দলিল।

গ) শোষক শ্ৰেণীৰ ভণ্ডামি আৰু কু-চক্ৰান্ত ইয়াত উন্মোচিত হয়।

ঘ) ইয়াত প্ৰতিধ্বনিত হয় নিৰ্যাতিত - নিপীড়িত জনগণৰ প্ৰতিবাদী কণ্ঠস্বৰ।

**সমাজ-বাস্তৱতাবাদৰ আধাৰত মৎস্যগন্ধা আৰু পিতা-পুত্ৰঃ**

অসমীয়া উপন্যাস সাহিত্যত মানৱীয় মূল্যবোধৰ প্ৰশ্নটো বলিষ্ঠভাৱে উত্থাপন কৰা সাহিত্যিক সকলৰ ভিতৰত হোমেন বৰগোহাঞিও অন্যতম। তেখেতৰ মুঠ নখন উপন্যাসৰ ভিতৰত প্ৰায়ভাগ উপন্যাসতে মানৱিক মৰ্যদাৰ বিষয়ে গুৰুত্ব সহকাৰে উল্লেখ কৰা দেখা যায়। 'মৎস্যগন্ধা' আৰু 'পিতা-পুত্ৰ' এই দুয়োখন উপন্যাসতে ঔপন্যাসিক গৰাকীয়ে ফুটাই তুলিবলৈ চেষ্টা

কৰিছে অসমৰ সহজ-সৰল গঞা ৰাইজৰ অভিব্যক্তি আৰু জীৱন-সংগ্ৰামৰ ছবি।

ঔপন্যাসিক বৰগোহাঞিদেৱে 'মৎস্যগন্ধা'ত কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলৰ হৃত মানৱিক মৰ্যদা বিষয়ে বলিষ্ঠভাৱে উত্থাপন কৰিছে। উপন্যাসখনৰ মুখ্য চৰিত্ৰ মেনকাৰ প্ৰতিবাদী কণ্ঠস্বৰ নাটকীয়ভাৱে উত্থাপিত হৈছে আৰম্ভণিতেই।অৱতৰণিকাৰ দৰে অধ্যায় এটাৰ সংযোজন কৰি তাৰ দ্বাৰাই পাঠকৰ সন্মুখলৈ লৈ আনিছে নায়িকা মেনকাক। ঔপন্যাসিকে গৰৈমাৰী আৰু ম'হঘূলি গাঁৱৰ সমাজ দুখনৰ জৰিয়তে জাতি-ভেদ অস্পৃশ্যতাৰ কদৰ্য ৰূপ এটা অতি স্পষ্ট আৰু পোনপটীয়াভাৱে অংকণ কৰিছে মৎস্যগন্ধাত। তথাকথিক উচ্চ জাতিসমূহে নিম্ন জাতিক কৰা অৱহেলা আৰু ঘৃণাৰ ছবিখন উপন্যাসখনৰ আৰম্ভণিৰে পৰা পোৱা যায়। মেনকাৰ পাঁচ-ছয়বছৰ মান বয়সতে মাকৰ সৈতে ম'হঘূলি গাঁৱৰ মানুহ এঘৰলৈ ধান খুজিবলৈ গৈ চোতালত মেলি থোৱা ওখুৱা ধানৰ ওচৰত তাই থিয় হৈছিল। তাইৰ গাৰ ছাঁ ধানখিনিত পৰাত গিৰিহঁতনিয়ে ৰণচণ্ডী মূৰ্তি ধৰি তাইক গালত কাণতলীয়া চৰ বহুৱাই দি চিঞৰি উঠিছিল - 'ইস্ ইস্ ইস্, খালে খালে, এপাচিকৈ উখুৱা ধান নষ্ট কৰিলে হু ঐ মেমেৰি ডাংকাচি, তোৰ জীয়েৰ সৰু ছোৱালী, তাই বাৰু নাজানেই; তই বুঢ়ী মানুহজনী হৈ তাইক বাধা দিব নোৱাৰিলি ? ধৰি ৰাখিব নোৱাৰিলি ? এতিয়া চাচোন, এপাচিকৈ শ'লপোনা ধান পেলাই দিব লগা হ'ল।' - মেনকাই ইয়াৰ কাৰণ একো নুবুজাত মাকে সমাজত চলি থকা শ্ৰেণী বৈষম্যৰ কথা কয়। তাই জীয়েক মেনকাক বুজাই দিয়ে যে - 'আমি ডোম, বুজিছ। পূৰ্বজন্মৰ কিবা পাপৰ শাস্তিস্বৰূপে ঈশ্বৰে আমাক নীহকুলীয়া ডোম কৰি সৃষ্টি কৰিছে। হেঁদুৰ চোতালত উখুৱা ধান মেলি থ'লে তাত যদি ডোমৰ গাৰ ছাঁ পৰে, তেন্তে ধানখিনি চুৱা হয়। মেনকাই ডাঙৰ হৈ বুজি উঠিছিল ডোমৰ গাৰ ছাঁ পৰিলে অকল উখুৱা ধানেই যে চুৱা হয় এনে নহয় - 'ডোমৰ হাত লাগিলে সকলো খাদ্যবস্তুৱেই অখাদ্য হয়। হেঁদু মানুহৰ ঘৰৰ ভিতৰত সোমাবলৈ ডোমৰ অধিকাৰ নাই। পিঁয়াহত কাতৰ হৈ ডোমে কাৰোবাৰ ঘৰত পানী খাব খুজিলে বাটৰ কাষৰ কচুবনিৰ পৰা কচুপাত ছিঙি লৈ গ'লেহে গিৰিহঁতে তাত পানী ঢালি দিবহু ঘৰত হালোৱা বা গৰখীয়া হৈ কাম কৰা ডোমৰ ল'ৰাক যদি গিৰিহঁতৰ ল'ৰা-ছোৱালীয়ে কেনেবাকৈ স্পৰ্শ কৰে তেন্তে তৎক্ষণাৎ সিঁহতে গা ধুব লাগিব।

গৰৈমাৰী গাঁৱৰ অলপ অৱস্থাসম্পন্ন দিগম্বৰে তেওঁৰ দুই পুতেক আৰু জীয়েকক স্কুলত পঢ়োৱাৰ কথা ভাবিছিল যিটো অন্য কৈৱৰ্ত মানুহৰ বাবে সপোনৰো অগোচৰ আছিল। কিন্তু শ্ৰেণী বৈষম্যৰ কদাকাৰ প্ৰভাৱৰ ফলত দিগম্বৰৰ সৰু পুতেকে ছমাহ আৰু ডাঙৰ পুতেকে দ্বিতীয় শ্ৰেণীলৈকে পঢ়িয়েই স্কুল এৰিব লগা হৈছিল। কাৰণ স্কুলৰ আন আন ছাত্ৰ-ছাত্ৰী আনকি শিক্ষকসকলৰো ঠাট্টা-মস্কৰাৰ লগতে নিৰ্মম বাক্যবাণ সহ্য কৰাটো সিঁহতৰ বাবে অসম্ভৱ আছিল। কৈৱৰ্ত সমাজৰ দুখীয়া সৰ্বসাধাৰণ ৰাইজৰ অৰ্থনৈতিক অৱস্থাৰ দুখলগা প্ৰতিচ্ছবিও ঔপন্যাসিকে সুন্দৰভাৱে উপস্থাপন কৰিছে। হাইজাত পৰি সেই অঞ্চলৰ লগতে গৰৈমাৰী গাঁৱৰো সৰহসংখ্যক মানুহৰ মৃত্যু হৈছিল। মেনকাৰ বাপেকৰ লগতে দুয়োটা ল'ৰাৰে মৃত্যু হোৱাত মাক আৰু বায়েকৰ সৈতে সিঁহতৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছিল। এনেয়েও সেয়া কেৱল সিঁহতৰে নহয় কৈৱৰ্ত গাঁওখনত যুগ যুগ ধৰি চলি অহা প্ৰতিঘৰ মানুহৰে দৈনন্দিন জীৱনৰ ছবি। তদুপৰি ভাং আৰু কানি বৰবিহৰ কৱলত পৰি সমাজখন হৈ পৰিছিল অকৰ্মণ্য, দুৰ্বল, দৰিদ্ৰ তথা কাণ্ডজ্ঞানহীন। গগন, পূৰ্ণ, মেনকাহঁতৰ দৰে এচামে কেইবাসাজো ভাত নোখোৱাকৈ থাকিব পাৰে; কিন্তু কানি নোখোৱাকৈ থকাটো যেন সিহঁতৰ বাবে অসম্ভৱ। ঔপন্যাসিকে মেনকা আৰু গগনৰ মাজেৰে এই অৱস্থাৰ বাস্তৱ ছবি অংকন

কৰিছে এনেদৰে - 'তাইৰ গাটো এফালৰ পৰা ডেই-পুৰি আহিছে; খঙৰ ভমকত নিজৰ মঙহকে নিজে কামুৰি খাবলৈ মন গৈছে। আজি আৰু যি হ'ল হ'ল, ৰাতিটো যেনে-তেনে পাৰ হ'ব। কিন্তু কাইলৈ ৰাতিপুৱা তাই কানিকণ যোগাৰ কৰিব কেনেকৈ? বেচিবলৈ বা বন্ধকত দিবলৈ ঘৰত ঘটি-বাতি, লাম-লাকুট একোটোৱেই আৰু বাকী নাই। কি উপায়েৰে তাই কালিলৈ দৰৰকণ যোগাৰ কৰিব?

আনফালে গগনৰ দিনটোৰ কৰ্মসূচী হ'ল এনেধৰণৰ - 'গধূলি ঘৰ সোমোৱাৰ আগতে সি বাহিৰে বাহিৰে পূৰ্ণিয়া মহাজনৰ দোকানলৈ যায়। মাছ বেছি পোৱা টকাৰে সি ৰাতিটোৰ ভাত সাঁজৰ কাৰণে চাউল আৰু নিমখ কিনে। পূৰ্ণিয়াৰ দোকানৰ পৰা সি যায় চৰকাৰী কানি মহললৈ। গধূলি আৰু পুৱাৰ কাৰণে তাক লাগে এৰতি কানি। চাউল আৰু কানি যোগাৰ হোৱাৰ পিছত সি দিনটোৰ দুখ-ভাগৰ পাহৰি বাকী বাটছোৱা প্ৰায় নাচি-নাচি ঘৰলৈ যায়। ঘৰ পাই হাতৰ বৰশী কেইটা ঘৰৰ চাললৈ দলিয়াই দি ভিতৰ সোমায়েই সি কানি-পান প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰি দিয়ে। ঠিক এই মুহূৰ্তটোৰ কাৰণেই সি গোটেই দিনটো ব্যাকুলভাৱে অপেক্ষা কৰি আছিল, কেৱল এই মুহূৰ্তটোৰ কাৰণে সি গোটেই দিনটো জীয়াই আছিল।'

ঔপন্যাসিকগৰাকীয়ে সৰ্বসাধাৰণ মানুহৰ সামাজিক মৰ্যদাৰ লগত অৰ্থনৈতিক নিৰাপত্তা কেনেদৰে সাঙোৰ খাই আছে সেই সম্পৰ্কেও পোনপটীয়াকৈ উন্মোচিত কৰিছে। মেনকাৰ ননদেক কমলাই আহোম সম্প্ৰদায়ৰ আঢ্যৱন্ত যুৱক মনিৰামে কোনো এক দুৰ্বল পৰিস্থিতিত কমলাক ভাল পাওঁ বুলি কোৱাত তাই কৈছে - 'ছিঃ মণিকাই, তুমি এইবোৰ কি কাণত সোপা দিব লগা কথা কৈছা? ... মই যে ডোম আৰু তুমি আহোম... সেই কথা পাহৰি গ'লা নেকি?' কিন্তু নিজৰ সামাজিক স্থান উচ্চ কৰাৰ সপোন দেখি আৰু মণিৰামৰ চলাহী কথাত ভোল গৈ তাই তাক দেহ দান কৰে। বৌৱেক মেনকাৰ ককৰ্থনাত তাই কয় - 'মণিৰাম কেৰাণী-মহৰী নহ'ব পাৰে, কিন্তু সি চাৰিপুৰা শালিতলীৰ গৰাকী। সি মোক বিয়া কৰিলে ময়ো চাৰিপুৰা শালিতলীৰ গৰাকীয়নী হ'ম। নিজৰ মাটিত ধান দাবলৈ যাম। নিজৰ পথাৰৰ পৰা ভঁৰাললৈ ধান আনিম।'

ঔপন্যাসিকে মেনকা চৰিত্ৰটিৰ যোগেদি সমাজ চেতনাৰ লগতে পৰিচয় দিছে বিৰল অন্তদৃষ্টিৰ। শৈশৱৰে পৰা সমাজৰ তথাকথিত উচ্চজাতি সমূহৰ পৰা পোৱা ঘৃণা, অৱহেলাই মেনকাক কৰি তুলিছে ক্ৰোধান্বিত। তাতে আকৌ চৰম দৰিদ্ৰতা। বৰ্ণবাদী ব্যৱস্থাৰ বিপৰীতে সেয়ে মেনকাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। উপন্যাসখনৰ আৰম্ভনিৰে পৰা প্ৰতিবাদী কণ্ঠস্বৰ সবল ভাৱে ধ্বনিত হৈছে। মেনকা সৰু হৈ থাকোতেই তাইৰ গাৰ ছাঁ পৰি ওখোৱা ধান পেলাব লগা হোৱা মহ'ঘূলি গাঁৱৰ এঘৰৰ গিৰিহঁতনিক তাইৰ মাকে দুৰ্বলভাৱে কৈছিল - 'আই অগিয়ানী অকণমানি ছোৱালীজনীয়ে যেনিবা নাজানি ধানখিনিৰ ওচৰত থিয় দিলেই; সেই বুলিনো আপুনি তাইক এনে এটা কাণতলীয়া চৰ সোধাব লাগেনে? আমি নীহ-কুলীয়া মানুহ যদিও তথাপিও মানুহহে, কুকুৰ-মেকুৰী নহয় নহয়। জা-নো আই, আপোনাসকলৰ শাস্ত্ৰত সঁচাকৈয়ে এইবোৰ কথা লিখা আছেনে নাই। সেই কথা একমাত্ৰ নেদেখাজনেহে জানে।'

মেনকাৰ মাক মেমেৰীৰ এই প্ৰতিবাদৰ সুৰ আছিল অতি দুৰ্বল। কিন্তু পিছলৈ মেনকাই সিঁহতক 'ডোম' বুলি কোৱা

শুনিলেই জাঙুৰ খাই উঠে। শেষত মণিৰাম আৰু কমলাৰ অবৈধ সম্পৰ্কৰ বিষয়ে জানি তাই জ্বলি উঠিছে। কিন্তু মনে মনে তাই ৰঙো পাইছে। এই ভাবি সিঁহতক নীচ জাতি বুলি ঘৃণা কৰি অহাৰ পোটক তুলিবলৈ এয়াই সুৱৰ্ণ সুযোগ। আনফালে তথাকথিত উচ্চজাতিৰ লোকসকলে ডোম মানুহক স্পৰ্শ কৰিলে গা ধুব লাগে। কিন্তু সমাজৰ আঁৰত ডোম ছোৱালীক খেলৰ সামগ্ৰীৰ দৰে ভাৱি অন্তঃসত্বা কৰে। এনেধৰণৰ অন্যায় - শোষণৰ প্ৰতিবাদ কৰিবলৈ মেনকাই সুযোগেই পালে কমলাৰ যোগেদি। সেয়েহে তাই গৰ্ভপাত কৰাৰ সলনি প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি আহিছে। তাই কৈছে - 'গৰ্ভপাত নহয়, গৰ্ভৰক্ষা কৰিম, ডোমৰ প্ৰাণ বচাবলৈ, ডোমৰ মান বচাবলৈ।' তথাকথিত উচ্চজাতৰ প্ৰতি মেনকাৰ প্ৰতিবাদী কণ্ঠস্বৰ ইমানেই সবল আছিল যে তাৰ সন্মুখত আহোম সম্প্ৰদায়ৰ যুৱক মণিৰামে শিৰ নত কৰিবলৈ বাধ্য হৈছিল। মানসিকভাৱে নানা কথাৰে মেনকাই মণিৰামক এনে দুৰ্বল কৰি তুলিছিল যে যি ডোম মানুহৰ ছাঁটো পৰিলেই ছুৱা হয় বুলি ভবা হয় তেনে মানুহক মণিৰামে ঘৰৰ ভিতৰলৈ নি পীৰাত বহিবলৈ দিলে। কেৱল সেয়াই নহয় কাঁহৰ বাতিত পানী খাবলৈয়ো দিলে। আনকি নিজকে চক্ খুৱাই মণিৰামে মেনকাৰ ভৰিত দীঘল দি পৰিল। শেষত মেনকাই চলে-বলে আনকি মাকৰ মিছা অপবাদৰ ভয় জেখুৱাই হ'লেও মণিৰামক কমলাক বিয়া কৰোৱাবলৈ বাধ্য কৰালে। শেষত মণিৰামে ম'হঘূলি গাঁৱৰ পৰা আহি গৰৈমাৰী গাঁৱৰ কৈৱৰ্ত মানুহত পৰিণত হৈছেহি। নিজৰ সম্প্ৰদায়ৰ হৃত মান-মৰ্যদা ঘুৰাই অনাত যেন তাই সফল হৈছে। পুনৰ বৰ্ণ বৈষম্যসূচক ডোম শব্দটো শুনি বাটৰ বাটৰুৱাক উদ্দেশ্যি তাই কয় - 'ঐ মুখত পোক লগা, ঐ খেকাৰ খোৱা, ঐ মেখেলা-তলীয়া - কাক 'ডোম', ডোম কৰিছ? থিয়ৈ নাঙঠ কৰি মেখেলাৰে কোবাম, চিনি পোৱা নাই। জাতলৈ নমোৱা নাই, আজি তহঁতৰ এটাক জাতলৈ তুলিলো। ভয় নকৰিবি, তহঁতৰো আৰু বেছি দিন নাই। এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলালৈকে মোৰ শান্তি নাই...।' মেনকাৰ এই বিদ্ৰোহ বৰ্ণ-বৈষম্যক গুৰুত্ব দিয়া সামন্তীয় সমাজৰ তথাকথিত উচ্চজাতিয়ে 'ডোম' বুলি সিঁহতক কৰা তাচ্ছিস্যৰ বিৰুদ্ধে, সমাজৰ জাতি-ভেদ প্ৰথা দূৰ কৰিবলৈ আৰু নিজৰ জাতিৰ হৃত মানৱিক মৰ্যদা ঘূৰাই আনিবলৈ।

হোমেন বৰগোহাঞিৰ আন এখন উল্লেখযোগ্য উপন্যাস হ'ল 'পিতা-পুত্ৰ'। ১৯৭৫ চনত ৰচনা কৰা এইখন ঔপন্যাসিক গৰাকীৰ এখন সফল উপন্যাস।

বৰগোহাঞিৰ 'পিতা-পুত্ৰ'ত অসমৰ গ্ৰাম্য সমাজৰ ছবি অতি সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। বিশেষকৈ স্বাধীনতাৰ পৰৱৰ্তী সময়ত গ্ৰাম্য দৰিদ্ৰ লোকসকলৰ সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক জীৱনৰ ছবি অংকণ কৰাত ঔপন্যাসিক গৰাকীৰ নৈপুন্যতা প্ৰকাশ পাই 'পিতা-পুত্ৰ'ৰ জৰিয়তে।

স্বাধীনতা লাভৰ পিছৰ প্ৰায় তিনিটা দশকৰ সামন্তীয় সমাজৰ অৱক্ষয়, নিম্ন শ্ৰেণীলোকৰ দাৰিদ্ৰতা, তথাকথিত উচ্চশ্ৰেণীয়ে নিম্নশ্ৰেণী লোকক কৰা শোষণ - নিপীড়ণ, মধ্যবিত্ত লোকৰ বিভিন্ন সমস্যা লগতে অন্যায় - অত্যাচাৰৰ বিৰুদ্ধে সমাজৰ উঠি অহা তামৰ প্ৰতিবাদ - এই সকলোবোৰেই আত্মপ্ৰকাশ কৰিছে পিতা-পুত্ৰত। উপন্যাসখনৰ মুখ্য চৰিত্ৰ শিৱনাথ হ'ল স্বাধীনতাৰ আগৰ আৰু স্বাধীনতাৰ পিছৰ এই দুয়োখন সমাজৰ প্ৰত্যক্ষদৰ্শী। দুটা পুৰুষৰ প্ৰতিনিধিত্ব কৰা শিৱনাথ হ'ল ম'হঘূলি গাঁৱৰ এজন সৰু-সুৰা জমিদাৰ। নিষ্ক্ৰিয়, স্বপ্নবিলাসী শিৱনাথে ভূমিহীন, দুখীয়া সমাজৰ ঘৃণা আৰু অস্পৃশ্যতাৰ বলি হোৱা কৈৱৰ্ত মানুহখিনিৰ

দুখ-দুৰ্দশা উপলব্ধি কৰিলেও তাৰ বিৰুদ্ধে মাত নামাতে। কাৰণ তেওঁৰ ঘৰতে সৰহসংখ্যকে হালোৱা, বোৱনী-দাৱনীৰ কাম কৰে। সামন্তীয় শোষণ ব্যৱস্থাৰ আৰু বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে ওপৰতে দেখুৱাই মাত মাতিলেও ভিতৰি কিন্তু সেই ব্যৱস্থা তেওঁ মানি লয়।

উপন্যাসখনত দুখীয়া কৈৱৰ্ত গাঁৱৰ লোকসকলৰ দৰিদ্ৰতাৰ সুন্দৰ ছবি এখন প্ৰকাশ পাইছে কতীয়াৰ ঘৰখনৰ যোগেদি। 'চোতালত থিয় দিলেই কেৱল ঘৰৰ ভিতৰখনেই নহয় - পিছফাল পৰ্যন্ত দেখা যায়। গোটেই ঘৰটো মাত্ৰ এটা কোঠাৰ এটা জুপুৰি; পশ্চিমফাললৈ এটা চৌকাৰ ওপৰত এলুমিনিয়ামৰ কণা-ভগা হাড়ি এটা আৰু লোৰে সৰু কেৰাহী এখন মুখ খুন্দা-খুন্দি খাই পৰি আছে, পূৰফাললৈ মাটিৰ ওপৰতে শুকান খেৰৰ ওপৰত পাটী পৰা বিছনা এখনত কতীয়া গভীৰ টোপনিত অচেতন; বুকুতে এবছৰীয়া কেঁচুৱা এটা।

এই কৈৱৰ্ত গাঁৱৰ লোকসকল ওচৰ-চুবুৰীয়া অন্যান্য সম্প্ৰদায়ৰ লোকৰ বাবে ইমানেই ঘৃণা, বিদ্বেষ আৰু অপমানৰ পাত্ৰ আছিল যে এবাৰ বামুণ ল'ৰা এটাই কৈৱৰ্ত ল'ৰা এটাক চৰ এটা মৰাৰ বাবে আত্মহত্যা পৰ্যন্ত কৰিছিল। কাৰণ তাৰ বাবে 'ডোমৰ চৰ খোৱাৰ পাছত প্ৰাণ ধাৰণ কৰি থকা অসম্ভৱ।'

মধ্যবিত্ত লোকৰ শোষণৰ ছবি স্বাধীনতাৰ আগত আৰু পিছত কেনে ৰূপত আছিল সেই বিষয়ে উপন্যাসখনৰ আৰম্ভনীৰ পৰা শেষলৈকে প্ৰত্যক্ষ কৰা যায়। স্বাধীনতা যুঁজত ভলণ্টিয়াৰ হোৱাৰ আগলৈকে কেশৱ আছিল মণ্ডল। এই কেশৱ মণ্ডল আছিল ঘোচ-খোৰ, লোভী। আনকি বকুলীৰ দৰে দুখীয়া বিধৱা তিৰোতাৰ মাটি কাঢ়ি নৰামহঁতক দি সিঁহতৰ সৰ্বস্ব কাঢ়ি লৈছে। দেশে স্বাধীনতা পোৱাৰ পিছতো কেশৱ মণ্ডলৰ দৰে লোকেই দুখীয়া-নিচলাক শোষণ কৰিছে।

ঔপন্যাসিকে দুৰ্নীতি-অন্যায়, অত্যাচাৰ, শোষণ-নিপীড়ণৰ ছবি পোনপতীয়া আৰু স্পষ্টকৈ প্ৰকাশ কৰিছে ৰেব মহাজন, বিশ্ব এম.এল.এ., কনক ঠিকাদাৰ আদি চৰিত্ৰৰ যোগেদি।

বৃটিছ চৰকাৰৰ দাসৰো দাস, কংগ্ৰেছ ভলণ্টিয়াৰৰ ঘোৰ শত্ৰু ৰেব মহাজনে চহৰৰ পৰা ব্যৱসায় সূত্ৰে ম'হঘুলি আহি পিছত চোৰাংকৈ চেনি, নিমখ, কেৰাচিন তেলৰ চোৰাং ব্যৱসায় কৰে। আনকি চোৰাংকৈ কানি বিক্ৰী কৰি সমাজৰ একাংশ লোকক কানীয়াত পৰিণত কৰিচিল। কংগ্ৰেছ ভলণ্টিয়াৰৰ বিৰোধী বৃটিছ চৰকাৰৰ অনুগামী ৰেব মহাজনৰ কৰ্মই তেওঁক পৰিণত কৰিছিল অন্যায়, অত্যাচাৰ আৰু শোষণৰ প্ৰতীকৰূপে। মানুহবোৰে ভাবিছিল দেশে স্বাধীনতা পালে ৰেব মহাজনৰ দৰে অত্যাচাৰীবোৰৰ অৱসান ঘটিব। কিন্তু দেশে স্বাধীনতা পোৱাৰ পিছতো শোষক, অত্যাচাৰী দুখীয়াৰ তেজ শুহি খোৱা ৰেব মহাজন অধিক প্ৰতিপত্তিশালী আৰু সমাজৰ তথাকথিত ধনী অভিজাত শ্ৰেণীতহে পৰিণত হৈছিল। দেশৰ বৰমুৰীয়াসকল আহিলে ৰেব মহাজনৰ ঘৰতে আশ্ৰয় লয়। এসময়ৰ কংগ্ৰেছৰ ভলণ্টিয়াৰ কেশৱ মণ্ডলেই টকাৰ লোভত পৰি ৰেব মজাহনৰ লগ হৈ দুয়ো হৈ পৰিল কংগ্ৰেছৰ সভাপতি আৰু উপ-সভাপতি।

ঔপন্যাসিকে এইসকল লোকে দুখীয়াক শোষণ কৰাৰ কথা প্ৰকাশ কৰিছে বানপানীৰ সময়ত দিয়া ৰিলিফৰ যোগেদি। চাউল আনিবলৈ গৈ ঘূৰি অহা ফটিকে শিৱনাথক কৈছে - 'সেইবোৰ চাউল কিবা আমাৰ নিচিনা দুখীয়া মানুহৰ কাৰণে আনিছে নেকি? ভাবিছিলো আমাৰ নিচিনা এদিন খাই সাতদিন খাবলৈ নোপোৱা মানুহবোৰকহে বোধহয় একোমুঠিকৈ চাউল দিব। সেই আশাতে দেউতা দিনটো কাম-কাজ খতি কৰি দুপৰীয়াৰ পৰা এই গধূলি পৰলৈকে পৰ দি বহি থাকিলো। আমি কিন্তু চাউলৰ ওচৰলৈকে গৈ নাপালো। আমাৰ চকুৰ আগেদিয়েই ঘৰত মেট-মৰা ধানৰ ভঁৰাল থকা মানুহেও বস্তাই বস্তাই চাউল লৈ গ'ল। গোটেই মৌজাটোৰ ভিতৰত একেবাৰেই খাবলৈ নোহোৱা ছালছিগা ভিকহু আমাৰ কৈৱৰ্ত গাঁওখনেই - অথচ্ আমাৰ গাঁৱৰ কোনো এঘৰ মানুহেই গলিয়াই খাবলৈকো চাউল এমুঠি নাপালে।'

দেশে স্বাধীনতা পালে। কিন্তু স্বাধীন দেশত ৰাইজে ৰজা হ'ব বোলা কথাষাক নৰজিল। স্বাধীন দেশত মহ'ঘূলি গাঁৱত ৰেব মহাজন, কেশৱ মণ্ডল আদিহে ৰজা। দুখীয়াৰ ৰিলিফৰ চাউল দুবস্তাকৈ যায় কেশৱ মণ্ডলৰ ঘৰলৈ। মন্ত্ৰী, এম.এল.এ. সকলোবোৰ কেশৱ মণ্ডলৰ কথাতহে হয়ভৰ দিয়ে। ইলেকচনত ৰেব মহাজন আৰু কেশৱ মণ্ডলৰ দলৰ ফালে ভোট দিয়া লোকেহে চৰকাৰী সকলো সুবিধা পায়। দুখীয়া লোকসকলে সেয়েহে অনুভৱ কৰিছে - 'দুখীয়াৰ প্ৰাণ ৰক্ষাৰ কাৰণে ৰিলিফৰ চাউল নহয়, সি আচলতে ভোট দিয়াৰ পুৰস্কাৰহে।' সিঁহতে ভাবিবলৈ বাধ্য হয় - 'আগৰ বৃটিছৰ দিনেই বেছি ভাল আছিল, স্বৰাজ হে আমি তপত খোলাৰ পৰা জ্বলা জুইতহে পৰিলোগৈ।'

আকৌ - 'দুখীয়াবোৰ আগতে যদি কলঢোপ কলঢোপ কৰি আছিল, এতিয়া গোটেইবোৰ মৰকুচীয়া লাগিছে। ধনী হৈছে জীপ গাড়ী দৌৰাইছে, পকীঘৰ সাজিছে - কেৱল ঠিকাদাৰ কেইটাই। ভলণ্টিয়াৰবোৰে বিশ্বাসৰ মানুহ বাছি বাছি ঠিকাদাৰ পাতিছে, ঠিকাদাৰে ধনৰ যোগান দি দি ভলণ্টিয়াৰক এম.এল.এ., মন্ত্ৰী পাতিছে। দুয়ো মিলি ষড়যন্ত্ৰ কৰি ৰাইজৰ তেজ শুহিছে।'

পৰিবৰ্তিত সমাজ ব্যৱস্থাই সৃষ্টি কৰা সামাজিক অৱক্ষয়ৰ ছবিখনো ফুটাই তুলিবলৈ সক্ষম হৈছে ঔপন্যাসিক গৰাকী। ম'হঘূলিতে সময়ৰ সোঁতত পৰিৱৰ্তনৰ বা লাগিল। এইবাৰ উৰি গ'ল পূৰ্বৰ সৰু ম'হঘূলি গাঁৱৰ সুন্দৰ পৰিৱেশ, একতা, নৈতিকতা সকলো। ঔপন্যাসিকে এই পৰিস্থিতিৰ আভাস দিছে এনেদৰে - 'ম'হঘূলিৰ আগৰ নিৰ্জন হাটখোলাত এতিয়া বিৰ্‌দি বাট পাবলৈ নাই; দোকানৰ ওপৰত দোকান, ঘৰৰ ওপৰত ঘৰ। গাঁৱৰ হাইস্কুলৰ মুখ দেখা আধা কেচেলুৱা ডেকা ল'ৰাবোৰৰ বেছিভাগেই ঘৰৰ খেতি-খোলাৰ কাম এৰি বজাৰত পাণৰ দোকান বা মণিহাৰী দোকান একোখন দি বহিছে আৰু হাতলৈ দুটামান পইচা অহাৰ লগে লগে একোটা ঘড়ী আৰু একোযোৰ চাৰ্ট-পেণ্ট কিনি 'বাবু' হ'বলৈ চেষ্টা কৰিছে। সিঁহতে কেনেবাকৈ ধৰি লৈছে যে বাবুগিৰিৰ অন্যতম উপকৰণ হ'ল মদ।'

পুৰণি মূল্যবোধৰ অৱক্ষয় হ'বলৈ ধৰাৰ বিষয়েও ঔপন্যাসিকে উল্লেখ কৰিছে এনেদৰে - 'আগতে গাঁৱৰ ডেকা ল'ৰাই গধূলি হ'লে নামঘৰলৈ গৈ ভাওনাৰ আখৰা কৰিছিল বা বায়নৰ ওচৰত গায়ন-বায়ন শিকিছিল আন বহুতে হয়তো কোনোবা এঘৰত বহি কথাৰ মালিহা মাৰিছিল। এতিয়া গধূলি হোৱাৰ লগে লগেই গাঁৱৰ সকলো ডেকাই ফিট্ - ফাট্ বাবুৰ দৰে কাপোৰ

পিন্ধি জুম বান্ধেগৈ বজাৰ অঞ্চলত আৰু লগে লগে আৰম্ভ হয় মদ আৰু জুৱাৰ আড্ডা। শাৰী শাৰী পেট্ৰ'মাক্সৰ উজ্বল পোহৰ, মাইকত বিকটভাৱে চিঠকৃত চিনেমাৰ গান, বহুভাষী বিভিন্ন মানুহৰ কথা-বাৰ্তাৰ ৰসহ্যময় গুঞ্জন।'

শিৱনাথৰ সৰুপুত্ৰ লক্ষ্মীনাথ এই অৱস্থাৰ চুড়ান্তভাৱে বলি। গধূলিৰ লগে লগে সি বজাৰত মদ খাই মাতলামী কৰাৰ লগে লগে ঘৰখনতো আৰম্ভ কৰি দিয়ে তাণ্ডৱ। ঘৰৰ পৰা এপদ এপদকৈ বস্তু-বাহানি নি বিক্ৰী কৰি সি ঘৰখনক একপ্ৰকাৰ ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ লগতে নতুন ধনী চামৰ উচটনিত পৰি সি ম'হঘূলিৰ আটাইতকৈ ডাঙৰ মদপী তথা গুণ্ডাত পৰিণত হৈছে। সমাজ আৰু নিজৰ ঘৰৰ এনে অৱস্থা দেখি - শুনিও একো প্ৰতিবাদ কৰিব নোৱাৰা অৱস্থাত পৰি ঈশ্বৰত শৰণ লৈ 'তেৱেঁই এদিন সকলো দেখিব' বুলি সান্ত্বনা লভিছে। আনহাতে একেখন সমাজৰে শিৱনাথৰ মাজুপুত্ৰ কালিনাথৰ দৰে এচাম যুৱকে সমাজখনৰ লগতে দেশৰ উন্নতিৰ হকে কাম কৰিবলৈ ওলাই আহিছে। সিঁহতে বিচাৰে সমাজৰ এনে অন্যায়-অত্যাচাৰ তথা শোষকসকল শিপাৰে সৈতে নিৰ্মূল হওঁক। নিৰ্লোভভাৱে বিদ্ৰোহ কৰা সিঁহতৰ বাবে সমাজৰ ধনী-দুখীয়া, উচ্চ-নীচ সকলো সমান। সিঁহতে বিচাৰে শ্ৰেণীহীন এখন সমাজ য'ত নাথাকিব ৰেব মহাজন, কেশৱ মণ্ডল, কনক ঠিকাদাৰ বা বিশ্ব এম.এল.এৰ দৰে শোষকৰ দল। সিঁহতে বিচাৰে প্ৰকৃতাৰ্থত এখন স্বাধীন দেশ, য'ত ৰাইজেই ৰজা।

সমাজ বাস্তৱতাবাদত ধ্বনিত হয় অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ। পিতা-পুত্ৰতো শেষলৈ প্ৰতিবাদৰ সুৰ ধ্বনিত হোৱা দেখা যায়। শিৱনাথে সমাজৰ এজন সন্মানীয় ব্যক্তিৰূপে কোনো কোনো মুহূৰ্তত ন্যায়ৰ কথা ক'লেও সি আছিল দুৰ্বল আৰু উপৰুৱা। উদাহৰণস্বৰূপে এবাৰ ম'হঘূলিলৈ গড়মুৰীয়া সত্ৰাধিকাৰ আহি নামঘৰত অস্পৃশ্যতা আৰু জাতিভেদ প্ৰথাৰ বিৰুদ্ধে বক্তৃতা দিছিল। সত্ৰাধিকাৰ গুচি যোৱাৰ পিছত শিৱনাথৰ চ'ৰাঘৰত হোৱা কথা-বতৰাত সত্ৰাধিকাৰক কৰা সমৰ্থনৰ প্ৰতিবাদ কৰি প্ৰভাতৰ দেউতাকে শিৱনাথক সুধিছিল যে তেওঁ নিজৰ পুতেকলৈ কৈৱৰ্ত ছোৱালীক বিয়া কৰাব পাৰিবনে। তেতিয়া শিৱনাথে কৈছিল - 'কিয় নোৱাৰিম, নিশ্চয় পাৰিম। ছোৱালী যদি আন সকলো প্ৰকাৰে উপযুক্ত হয়, শিক্ষিতা হয়, চৰিত্ৰৱতী হয়, তেন্তে হ'লহৈবা কৈৱৰ্ত - তাত আপত্তি কি? স্বয়ং ব্যাসদেৱৰ মাকেই কৈৱৰ্ত নাছিলনে?'

কিন্তু বৰপুত্ৰ গৌৰীনাথে বাহিৰত পঢ়িবলৈ গৈ যেতিয়া কৈৱৰ্ত ছোৱালী বিয়া কৰালে তেতিয়া শিৱনাথে তাক ত্যাজ্য পুত্ৰ কৰিলে। শিৱনাথৰ ইমান সাহস নাছিল যে কৈৱৰ্ত ছোৱালীক বোৱাৰী হিচাপে মানি ল'ব। পৰিৱৰ্তনৰ ঢৌৱে সকলোকে চুই গ'লেও শিৱনাথে কিন্তু সামন্তীয় ৰীতিক এৰিব পৰা নাছিল। সমাজত নিজৰ স্থিতিক লৈ সদা সচেতন শিৱনাথে সেয়ে হয়তো নিজৰ কুৰূপা অযোগ্য বৰকন্যা ৰম্ভাক নতুন ধনী কনক ঠিকাদাৰে উপযাচি বিয়া কৰাব খুজিলত তেওঁ দাম্ভিকভাৱে সেই প্ৰস্তাৱ নাকচ কৰিছিল। আনহাতে দৰিদ্ৰ ঘৰৰ সুন্দৰী গাভৰু ব'হাগীক বিয়া কৰোৱাৰ পৰা বিৰত কৰাইছিল মাজুপুত্ৰ কাশীনাথক। নিজৰ আভিজাত্যত চেকা লাগে বুলিয়েই এসময়ত নিজৰ ঘৰৰ হালোৱাৰ পুতেক কনক আৰু দৰিদ্ৰ ঘৰৰ ব'হাগীক তেওঁ আপোন কৰিব পৰা নাছিল।

গৌৰীনাথে উচ্চশিক্ষাৰে শিক্ষিত হৈ দেউতাকৰ অহংকাৰত আঘাট হানি প্ৰতিবাদ কৰিলে কৈৱৰ্ত ছোৱালী বিয়া পাতি। গৌৰীনাথৰ এই বিদ্ৰোহৰ ভাৱ ফুটি উঠিছে বিয়াৰ পিছত দেউতাকলৈ

লিখা চিঠিৰ জৰিয়তে। 'আমাৰ দেশত মানুহৰ কথা আৰু কামৰ মাজত বেছি মিল নাই; আধুনিকতাৰ আকৰ্ষণত বা মানুহৰ হাত চাপৰিৰ মোহত মানুহে মুখেৰে কয় এটা কিন্তু পৰম্পৰাগত সংস্কাৰৰ বিপৰীত আকৰ্ষণত বা ৰক্ষণশীল সমাজৰ ভয়ত কামত কৰে আন এটা। এই দুয়োটাৰ মাজত তাল মিলাবলৈ গৈ আমাৰ দেশৰ বেছিভাগ মানুহেই লয় ভণ্ডামিৰ আশ্ৰয়। পৈত্ৰিক সম্পত্তিৰ পৰা বঞ্চিত হোৱাৰ ভয়ত মই কেতিয়াও নিজৰ বিবেক বা আদৰ্শৰ বিৰুদ্ধে কাম নকৰোঁ।' গৌৰীনাথৰ এই প্ৰতিবাদ কেৱল শিৱনাথৰ ওচৰত নহয়, বৰঞ্চ পৰম্পৰাগত সংস্কাৰ আৰু সামন্তবাদী সমাজ ব্যৱস্থাক খামুচি ধৰি থকা ৰক্ষণশীল লোকসকলৰ বিপক্ষে কৰা ই এক বিদ্ৰোহ।

ঔপন্যাসিকে কালিনাথে আৰম্ভ কৰা সংগ্ৰামক ৰূপ দিছে অন্যধৰণে। ধীৰে ধীৰে সমগ্ৰ সমাজখনকে ছানি ধৰা চোৰাং মদৰ ব্যৱসায়ৰ বিৰুদ্ধেই প্ৰথমতে সংগ্ৰাম আৰম্ভ কৰিছে কালিনাথে। মদৰ ফলতে সৃষ্টি হৈছে সমাজত নোহোৱা-নোপোজা ঘটনা। মদৰ লগতেই সৃষ্টি হৈছে বিধৱা তিৰোতাৰ অবৈধ সম্পৰ্কৰ কাহিনী। অৱশ্যে চোৰাং মদ নিবাৰণৰ লগতে জড়িত আন বহুতো সমাজ সংস্কাৰকামী চেতনা। মুঠতে মদৰ ৰাগীত কৰিব নোৱাৰা কাম যেন একো নাই। কালিনাথে আৰম্ভ কৰা সংগ্ৰামৰ প্ৰথম পদক্ষেপটোত ৰাইজৰ সঁহাৰি পালেও তথাকথিত বৰমূৰীয়া সকলৰ হেঁচাত সি সম্পূৰ্ণ হৈ নুঠিল। কিন্তু এই সংগ্ৰাম একেবাৰে স্তব্ধ হৈয়ো যোৱা নাই।

পুঁজিপতি শাসনৰ ওৰ পেলাই নতুন সমাজ গঢ়িবলৈ ওলোৱা কালিনাথৰ বন্ধু সৌমিত্ৰক যেন ঔপন্যাসিকে গঢ় দিছে বামপন্থী চিন্তাধাৰাৰে মেহনতী জনতাৰ সপক্ষে আন্দোলন কৰিব খোজা বিপ্লৱী হিচাপে। সৌমিত্ৰৰ যোগেদি কমিউনিষ্ট সকলৰ বিপ্লৱৰ আভাস এটাও পোৱা যায়; যিটো আছিল সমসাময়িক সমাজৰ আৰ্থ সামাজিক আৰু ৰাজনৈতিক অৱস্থা, জাতিগত বৈষম্য, শ্ৰমজীৱি-খাটিখোৱা লোকসকলৰ সামাজিক ন্যায়ৰ কাৰণে কৰা বিপ্লৱ।

**সামৰণিঃ**

হোমেন বৰগোহাঞিৰ মৎস্যগন্ধা আৰু পিতাপুত্ৰ এই দুয়োখন উপন্যাসতে চিত্ৰিত হৈছে পৰম্পৰাগত গ্ৰাম্য সমাজৰ দৈনন্দিন জীৱনৰ খুঁটি-নাটি। দৰিদ্ৰলোকৰ জীৱন সংগ্ৰামৰ ছবি অংকণত ঔপন্যাসিক যেনেদৰে সফল হৈছে তেনেদৰে সফল হৈছে সামন্তীয় সমাজৰ স্বৰূপ আৰু অৱক্ষয়মান সমাজৰ চিত্ৰ অংকিত কৰাতো।

আলোচ্য দুয়োখন উপন্যাসতে 'সমাজ-বাস্তৱতাবাদী' চিন্তাধাৰা সফল প্ৰয়োগ হৈছে বুলি ক'ব পাৰি। দুয়োখন উপন্যাসতে সমাজৰ নিম্নশ্ৰেণীৰ মানৱিক মৰ্যদা নানানভাৱে বিপৰ্যস্ত হোৱা অৱস্থাৰ হৃদয়স্পৰ্শী আৰু বিশ্বাসযোগ্য চিত্ৰায়নৰ লগতে সমাজৰ উচ্চশ্ৰেণীৰ শোষণ-নিৰ্যাতনৰ বাস্তৱ চিত্ৰ অংকণৰ জৰিয়তে সমাজ-বাস্তৱতাবাদৰ বৈশিষ্ট উপলব্ধ হোৱা লক্ষ কৰা যায়। অস্পৃশ্যতা আৰু জাতিভেদৰ কদাকাৰ ৰূপ দুয়োখন উপন্যাসতেই পোনপটীয়াভাৱে উন্মোচিত হৈছে। আনফালে 'পিতা-পুত্ৰ'ত শোষিত-নিষ্পেষিত ৰাইজৰ মনৰ কথা বৰ্ণিত হোৱাৰ লগে লগে উন্মোচিত হৈছে শোষক শ্ৰেণীৰ ভণ্ডামি আৰু কু-চক্ৰান্তৰ বীভৎস ছবি। লেলিন ষ্টেলিনৰ কাহিনী উল্লেখৰ মাজত যেন ঔপন্যাসিকৰ সাম্যবাদ চিন্তাৰ ৰেঙণি দেখা যায়। ইয়াত ভিতৰি ভিতৰি যেন বৈ

আছে মাক্সীয় দৰ্শন। মুঠতে ক'ব পাৰি বৰগোহাঞিৰ 'মৎস্যগন্ধা' আৰু 'পিতা-পুত্ৰ' এই দুয়োখন উপন্যাসতে 'সমাজ-বাস্তৱতাবাদ'ৰ সফল প্ৰয়োগ ঘটিছে।

**প্ৰসঙ্গ পুথিঃ**


ঠাকুৰ, নগেন (সম্পা) ঃ এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্ৰকাশন, গুৱাহাটী, ২০০০।

বৰগোহাঞি, হোমেন ঃ চাৰিটা দশকৰ ফচলঃ উপন্যাস সমগ্ৰ, ষ্টুডেণ্টচ্ ষ্টৰচ, গুৱাহাটী, ২০০৮।

ভৰালী, শৈলেন ঃ উপন্যাসঃ বিচাৰ আৰু বিশ্লেষণ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯২।

শৰ্মা, গোবিন্দ প্ৰসাদ ঃ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি, বাণী মন্দিৰ, গুৱাহাটী।

গোস্বামী, মৃণাল জ্যোতি ঃ সমাজ বাস্তৱতাবাদৰ আলোকত মুনীন ভূঞাৰ নাটক, গৰীয়সী, পৃঃ ৯৮-১০২, ২০১১ ডিচেম্বৰ।

Chilvers, I (Ed) : The Oxford Dictionary of Art. Retrieved January 6, 2012, from http://www.thefreedictionary.com/social+realism

Grisham, K (2005) : Survey of Art 1B: Social Realism, Retrived January 6, 2012. from https://instruct.weatvalley.edu/grisham/1b_socialhtml.

Taylor, S (2008) : Social Realism, Retrieved January 6, 2012 from https://www.slideshare.net/sstuckey/social_realism


OOO